৩ পৃষ্ঠাত

৪ পৃষ্ঠাত

১০ পৃষ্ঠাত

# অসম আদিত

ফাগুন, ১৯৪৪ শক ■ দেওবাৰ, ১৯ ফেব্ৰুৱাৰী, ২০২৩ ■ Asom Aditya, Dibrugarh, Sunday, February 19, 2023 ■ Price Rs. 7 ■

ৰাজ্যজুৰি মহাদেৱৰ পূজা-অৰ্চনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১৮ ফেব্ৰুৱাৰী ঃ** ঐতিহাসিক শিৱসাগৰৰ মহাশিৱৰাত্ৰি উপলক্ষে যোৱানিশা শিৱৰাত্ৰি মেলাৰ অস্থায়ী মঞ্চত প্ৰদৰ্শন কৰা হয় 'হিৰণাক্ষ মুক্ষণ, শুক্ৰাচাৰ্যৰ দৰ্প হৰণ' শীৰ্ষক ভাওনাখন। ধিতাইপুখুৰী সাৰংগ সাংস্কৃতিক গোষ্ঠীৰ শিল্পীসকলৰ দ্বাৰা প্ৰদৰ্শন কৰা এই ভাওনা উদ্বোধন কৰে গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট নিবন্ধকাৰ ড° সব্যসাচী মহন্তই। ৮ পৃষ্ঠাত

## শিশুৰ নৃত্য-গীতেৰে মুখৰিত কৰ্দৈগুৰিৰ বিষ্ণুপুৰ

### জাৰ্নেলিষ্ট ইউনিয়ন অৱ আছামৰ 'সন্ধিয়াৰ চোতাল'

**বিশেষ প্ৰতিবেদক, তিনিচুকীয়া, ১৮ ফেব্ৰুৱাৰী ঃ** নৃত্য-গীত, কবিতা, অভিনয়েৰে মুখৰিত হৈ পৰে বৃহত্তৰ কৰ্দৈগুৰি বিষ্ণুপুৰ অঞ্চল। এখন মঞ্চ লাভ কৰি অঞ্চলটোৰ কণ-কণ শিশুসকলে নিজৰ প্ৰতিভা বিকাশৰ সুযোগ গ্ৰহণ কৰে। কৰ্দৈগুৰি আঞ্চলিক যুৱ সংঘৰ উদ্যোগত, বিষ্ণুপুৰ মিলনজ্যোতি যুৱ সংঘৰ আতিথ্যত জাৰ্নেলিষ্ট ইউনিয়ন অৱ আছামৰ তিনিচুকীয়া জিলা সমিতিৰ 'সন্ধিয়াৰ চোতাল' ৮ পৃষ্ঠাত

কানৈ কলেজত অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব জিষ্ণু বৰুৱা

## প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কে মত-বিনিময়

**ডিব্ৰুগড়, ১৮ ফেব্ৰুৱাৰী ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ আই চি জি চি, ছাত্ৰ একতা সভা, ডি চি ছাত্ৰাৱাস আৰু ছাত্ৰী নিৱাসৰ উদ্যোগত আজি মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কে এক কেৰিয়াৰ গাইডেঞ্চ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটোত অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব তথা বৰ্তমান এ পি ডি চি এলৰ অধ্যক্ষ জিষ্ণু বৰুৱা মুখ্য বক্তা হিচাপে উপস্থিত থাকি প্ৰতিযোগিতামূলক ৮ পৃষ্ঠাত





৭০ শিক্ষাৰ্থীৰ ভৱিষ্যতক লৈ অনিশ্চয়তা

৩ পৃষ্ঠাত



অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন আৰু নেলিৰ গণহত্যা

৪ পৃষ্ঠাত



বৈষ্ণৱৰাজ শিৱ আৰু ধাৰ্মিক সদাচাৰ

১০ পৃষ্ঠাত



# অসম আদিত্য

ফাগুন, ১৯৪৪ শক ■ দেওবাৰ, ১৯ ফেব্ৰুৱাৰী, ২০২৩ ■ Asom Aditya, Dibrugarh, Sunday, February 19, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱা

## মহাশিৱৰাত্ৰিত ভাওনা উদ্বোধন

উদ্বোধনী ভাষণত ড° সব্যসাচী মহন্তই কয় যে স্বৰ্গদেউ চাওলুং চুকাফাই যিদৰে সাতৰাজ মাৰি একৰাজ কৰি বৰ অসমৰ ভেটি প্ৰতিষ্ঠা কৰিছিল, ঠিক তেনেদৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেখেতৰ একশৰণ হৰিনাম ধৰ্মৰ জৰিয়তে অসমৰ আধ্যাত্মিক জীৱনৰ প্ৰাণ প্ৰতিষ্ঠা কৰিছিল। গুৰুজনাই অসমীয়া জাতিৰ ভাষা-সাহিত্য, সংস্কৃতিৰ ভেটি ৰোপণ কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে অসমীয়া সংস্কৃতিৰ বৰভেটিত ৰোপণ কৰা বৃক্ষই বটবৃক্ষৰ ৰূপ ধাৰণ কৰি বিশাল অসমীয়া জাতিক একত্ৰিত কৰি ৰাখিবলৈ সক্ষম হৈছে। সেয়েহে তেখেতৰ আৱিৰ্ভাৱৰ ৫৭০ বছৰৰ পিছতো গুৰুজনাৰ প্ৰাসংগিকতা অধিক বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ভাওনাৰ জৰিয়তে গুৰুজনাই একশৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰি জগতত ঈশ্বৰৰ মাহাত্ম্য প্ৰকাশ কৰাৰ লগতে দুষ্টক দমন আৰু সন্তক পালন কৰা নীতিৰে এক সাম্যবাদী সুষম অসমীয়া সমাজ গঠন কৰিবলৈ সক্ষম হৈছিল। তেখেতে ভাওনাৰ জৰিয়তে নৱৰসৰ আস্বাদন কৰাইছিল। নৱৰসৰ ভিতৰত গুৰুজনাই ভক্তি ৰসক অধিক গুৰুত্ব দিছিল। গুৰুজনাই ভাওনাৰ জৰিয়তে অসমৰ সকলো জাতি-জনগোষ্ঠীৰ লোকক একেখন মঞ্চত থিয় কৰাই সমন্বয়-সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিছিল বুলি ড° সব্যসাচী মহন্তই উল্লেখ কৰে। উল্লেখ্য যে পাঁচ দিনীয়াকৈ দ'ল উন্নয়ন সমিতিৰ উদ্যোগত আয়োজিত শিৱৰাত্ৰি মেলাৰদ্বাৰ আনুষ্ঠানিকভাৱে কালি সন্ধিয়া মুকলি কৰাৰ পিছতেই দ'লমুখ ছাবিআলিৰ অস্থায়ী মণ্ডপত প্ৰথম দিনাৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি

## প্ৰতিযোগিতামূলক পৰীক্ষাৰ

পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° পল্লৱী গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত বৰুৱাই ভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাসমূহৰ ইতিহাস বৰ্ণনা কৰাৰ লগতে এই পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ কি কি গুণ আয়ত্ব কৰিব লাগিব, কিদৰে প্ৰস্তুতি চলাব লাগিব, বিষয়সমূহ কিদৰে অধ্যয়ন কৰিব লাগিব ইত্যাদি বিষয়সমূহ অতি সূক্ষ্মভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ আগত দাঙি ধৰে। কিতাপৰ টোপোলা আৰু অন্যান্য সামগ্ৰীৰে সম্বৰ্ধনা জনোৱা অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত-বিনিময়ৰ সময়ত তেওঁ প্ৰশাসনিক সেৱাৰ লগত জড়িত ব্যক্তিগত অভিজ্ঞতাসমূহ সাৱলীলভাৱে বৰ্ণনা কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অৱতীৰ্ণ হোৱাৰ লগতে বিশেষকৈ প্ৰশাসনিক সেৱাৰ লগত জড়িত হ'বৰ বাবে অনুপ্ৰাণিত কৰে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° বিৰাজ দত্তই। অনুষ্ঠানটোত এ পি ডি চি এলৰ আই টি বিভাগৰ উপ-মহাপ্ৰবন্ধক ৰেজা মহম্মদকে ধৰি কেইবাগৰাকী গণ্য-মান্য ব্যক্তি আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° বিৰাজ দত্তই। উল্লেখ্য যে ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত-বিনিময় অনুষ্ঠানটোত বৰুৱাই অনাগত দিনত এনেধৰণৰ কাৰ্যসূচীত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত-বিনিময় কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।